# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***

**----------------------------**

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

ৰাজ্যত কাইলৈৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া সভাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল যোগে জানিবলৈ দিয়ে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কাইলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰিব। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। এই আঁচনিৰ জৰিয়তে আগন্তুক তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিব।

০০০০০

চলিত বৰ্ষৰ ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ গুৱাহাটীত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ অনুষ্ঠিত হ'ব। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়, পৃথিৱী বিজ্ঞান মন্ত্ৰালয় আৰু বিজ্ঞান ভাৰতীৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই বিজ্ঞান মহোৎসৱৰ উদ্দেশ্য হৈছে – বৈজ্ঞানিক ধাৰণাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা, সাফল্যক স্বীকৃতি দিয়া আৰু ভাৰতীয় জনসাধাৰণৰ মাজত বৈজ্ঞানিক সজাগতা বৃদ্ধি কৰা। কালি অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে বিজ্ঞান মহোৎসৱত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ আলোচনাচক্ৰ, প্ৰদৰ্শনী, প্ৰতিযোগিতা, কৰ্মশালা, জ্ঞান বিনিময় কাৰ্যসূচী, প্ৰযুক্তি প্ৰদৰ্শনকে ধৰি আন বহুতো আকৰ্ষণীয় কাৰ্যসূচী থাকিব। এই মহোৎসৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৃষ্টিশীলতা প্ৰসাৰিত কৰাত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

উত্তৰ কাশ্মীৰৰ কুপৱাৰা জিলাত নিৰাপত্তাৰক্ষীৰ গুলীত দুটা সন্ত্ৰাসবাদী নিহত হৈছে। শ্ৰীনগৰৰ পৰা সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বিভাগীয় বাৰ্তাত উল্লেখ কৰা মতে কুপৱাৰা জিলাৰ গুগলধাৰ অঞ্চলেৰে অনুপ্ৰৱেশৰ চেষ্টাৰ বিষয়ে গোপন সুত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত ভাৰতীয় সেনা আৰু জম্মু আৰু কাশ্মীৰ আৰক্ষীয়ে কালি যুটীয়াভাৱে অভিযান চলাইছিল। এই অভিযানৰ সময়ত সন্ত্ৰাসবাদী দুটা নিহত হোৱাৰ লগতে ভালেমান অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ হয়। ০০০০০

ৰাজ্যত আগন্তুক পাঁচ দিনৰ বাবে বতৰ অপৰিৱৰ্তিত হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সতৰ্কতা জাৰি কৰিছে। এই দিনকেইটাত গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত কম-বেছি পৰিমাণে বৰষুণ হ'ব বুলি ৰাজ্যৰ বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে। ৰাজ্যৰ কিছু কিছু ঠাইত মজলীয়াৰ পৰা ধাৰাষাৰ আৰু দুই-এঠাইত গাজনি-ঢেৰেকনিৰে প্ৰবল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

অসম চৰকাৰৰ উদ্যোগত অহা মাহৰ পৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বৰপেটা জিলাৰ খেলুৱৈসকলক জিলা প্ৰশাসনে আহ্বান জনাইছে। বৰপেটা জিলা আয়ুক্তই এটা বিবৃতিৰ জৰিয়তে ক্ৰীড়াপ্ৰেমী ৰাইজলৈ আহ্বান জনাই কৈছে যে, খেল মহাৰণৰ বিভিন্ন প্ৰতিযোগিতাত যোগদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। গতিকে খেলুৱৈসকলে গুগল প্লে ষ্ট'ৰৰ খেল মহাৰণ দ্বিতীয় নামৰ এপটো ডাউনল'ড কৰি নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। এইবাৰ অনুষ্ঠিত হ'বলগীয়া খেলসমূহ হ'ল- এথলেটিকছ, ভলীবল, ফুটবল, চাইক্লিং, কাবাডী, সাঁতোৰ আৰু ডবা। বিভিন্ন বয়সৰ খেলুৱৈৰ বাবে কেইবাটাও শাখাত অনুষ্ঠিত হ'বলগীয়া খেলসমূহত জিলা প্ৰশাসনে বৰপেটা জিলাৰ ৰাইজ, খেলুৱৈ আৰু ক্ৰীড়া সংগঠনসমূহৰ সহযোগিতা কামনা কৰিছে। এইবাৰৰ প্ৰতিযোগিতাসমূহো পূৰ্বৰ দৰে গাঁও পঞ্চায়ত, পৌৰ সভা, বিধানসভা আৰু জিলা পৰ্যায়ত অনুষ্ঠিত হ'ব।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ভাৰত নিউজিলেণ্ডৰ হাতত ৫৮ ৰানত পৰাস্ত হয়। প্ৰথমে বেট ধৰি নিউজিলেণ্ডে ৪টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত অভাৰত ১৬১ ৰানৰ লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ১৯ অভাৰত মাত্ৰ ১০২ ৰানহে কৰিবলৈ সক্ষম হয়। নিউজিলেণ্ডৰ হৈ ৰোজ মেৰী মেয়ৰে চাৰিটা উইকেট লয়। ছোফি ডিবাইনে সৰ্বাধিক ৩৬টা বলত ৫৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰেণুকা সিঙে দুটা উইকেট লয়। ভাৰতে অহা ১৩ অক্টোবৰত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। আনহাতে কাইলৈ ভাৰতে পাকিস্তানৰ বিৰুদ্ধে এখন গুৰুত্বপূৰ্ণ খেলত অৱতীৰ্ণ হ'ব। ৯ অক্টোবৰত হ'বলগীয়া খেলখনত দলটোৱে শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্লে অফৰ সুযোগ উজ্জীৱিত কৰি ৰখাৰ বাবে ভাৰতে এই আটাইকেইখন খেলতে জয়লাভ কৰাৰ লগতে নেট ৰান ৰেটো বৃদ্ধি কৰিব লাগিব।

গ্ৰুপ-এৰ এখন খেলত আজি অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দুপৰীয়া চাৰে ৩ বজাত আৰম্ভ হ'ব। দ্বিতীয়খন খেল গ্ৰুপ-বিৰ ইংলেণ্ড আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োখন খেলে শ্বাৰজাহাত অনুষ্ঠিত হ'ব।

০০০০০